# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 03-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। ভাৰতীয় ৰে'লৱেই গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত চলাচল কৰোৱাৰ সিদ্ধান্ত লোৱা নতুন জন শতাব্দী এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ যাত্ৰা আজি গুৱাহাটীত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে শুভাৰম্ভ কৰিব।

৩। আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্ৰান্সমিটাৰটো আজি আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গিত কৰা হ'ব।

৪। বাংলাদেশে কালি ৯৫ জন ভাৰতীয় মাছমৰীয়াক বাংলাদেশ উপকূলৰক্ষী বাহিনীক গতাই দিয়া বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।*আৰু*

৫। চিডনী টেষ্টত ভাৰতীয় দলৰ অধিনায়ক ৰোহিত শৰ্মাক বিশ্ৰাম দিয়া হৈছে। খেলখনত ভাৰতে চাহ বিৰতিৰ পৰলৈকে ৩টা উইকেট হেৰুৱাই ৫৭ ৰান সংগ্ৰহ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ অশোক বিহাৰত বস্তি এলেকাত বাস কৰা লোকৰ বাবে নিৰ্মাণ কৰা প্ৰায় এহেজাৰ ৭০০টা বাসগৃহ মুকলি কৰিব আৰু হিতাধিকাৰীসকলক বাসগৃহৰ চাবি প্ৰদান কৰিব। এই নৱনিৰ্মিত বাসগৃহসমূহৰ উদ্বোধনৰ লগে লগে দিল্লী উন্নয়ন প্ৰাধীকৰণৰ বস্তি এলেকাত পুনৰ্বাস প্ৰকল্পৰ দ্বিতীয় পৰ্যায় সম্পূৰ্ণ হ'ব। বস্তি এলেকাত বাস কৰা লোকসকলক প্ৰয়োজনীয় সা-সুবিধাসহ জীৱন ধাৰণৰ বাবে উন্নত আৰু স্বাস্থ্যসন্মত বাতাবৰণ প্ৰদান কৰাই এই প্ৰকল্পৰ মূল উদ্দেশ্য। প্ৰধানমন্ত্ৰীয়ে লগতে নৌৰ'জি নগৰৰ বিশ্ব বাণিজ্য কেন্দ্ৰ আৰু সৰোজিনী নগৰৰ সাধাৰণ পুলৰ টাইপ টু আবাসীক কোৱাৰ্টাৰ পুনৰ উন্নয়ন প্ৰকল্পও উদ্বোধন কৰিব। একেদৰে তেওঁ দ্বাৰকা নগৰত প্ৰায় ৩০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ সংহত কাৰ্যালয়ো উদ্বোধন কৰিব।

প্ৰধানমন্ত্ৰীয়ে দিল্লী বিশ্ববিদ্যালয়ত ৬০০ কোটি টকা ব্যয় সাপেক্ষ তিনিটা নতুন প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰিব। তেওঁ নজফগড়ৰ ৰৌচনপুৰত বীৰ ছাৱাৰকাৰ মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। দিল্লী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক যোগেশ সিঙে আকাশবাণীৰ সংবাদদাতাক কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে পূব দিল্লীৰ

সুৰজমল বিহাৰত থকা পূব চৌহদ আৰু দ্বাৰকাৰ পশ্চিম চৌহদত একোটাকৈ শৈক্ষিক খণ্ডৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি কৰ্ণাটকৰ ৰাজধানী বাংগালুৰুৰ ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য আৰু স্নায়ু বিজ্ঞান প্ৰতিষ্ঠান NIMHANSৰ সোণালী জয়ন্তী সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই উপলক্ষে ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰতিষ্ঠানখনৰ মনোৰোগ চিকিৎসা খণ্ড, কেন্দ্ৰীয় পৰীক্ষাগাৰ চৌহদ আৰু ছাত্ৰাবাস উদ্বোধন কৰিব। তেওঁ লগতে বেলাগাৱিত এখন অত্যাধুনিক কৰ্কটৰোগ হাস্পতালো মুকলি কৰিব। কৰ্ণাটকৰ ৰাজ্যপাল থাৱৰচন্দ গেহলোট, কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা আৰু প্ৰহ্লাদ যোশী এই অনুষ্ঠানত উপস্থিত থাকিব।

০০০০০

ভাৰতীয় ৰে'লৱেই গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত চলাচল কৰোৱাৰ সিদ্ধান্ত লোৱা নতুন জন শতাব্দী এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ যাত্ৰা আজি গুৱাহাটীত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে শুভাৰম্ভ কৰিব। ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ সৈতে গুৱাহাটীৰ ৰে'ল যোগাযোগ অধিক সুচল কৰাৰ বাবে এই ৰে'লখন প্ৰৱৰ্তনৰ সিদ্ধান্ত লোৱা হৈছে। ৰে'ল বিভাগৰ সূত্ৰই জনোৱা মতে, সপ্তাহত দুবাৰকৈ চলাচল কৰিবলগীয়া এই ৰে'লগাড়ীখনে পুৱা ৯ বাজি ৫০ মিনিটত গুৱাহাটীৰ পৰা যাত্ৰা আৰম্ভ কৰি বিয়লি ৪ বাজি ১৫ মিনিটত উত্তৰ লখিমপুৰ পাবগৈ আৰু বিয়লি ৫ বজাত উত্তৰ লখিমপুৰৰ পৰা যাত্ৰা কৰি নিশা ১১ বাজি ২৫ মিনিটত গুৱাহাটী পাবহি।

ৰে'লমন্ত্ৰীগৰাকীয়ে আজি পতাকা জোকাৰি তিনিচুকীয়া-নাহৰলগুন এক্সপ্ৰেছ আৰু গুৱাহাটী-নিউ বঙাইগাঁও যাত্ৰীবাহী ৰে'লগাড়ী দুখনৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব। মন্ত্ৰীগৰাকীয়ে তেতেলীয়াত নিৰ্মাণ কৰা এখন পথ উৰণসেতুও উদ্বোধন কৰিব।

০০০০০

আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্ৰান্সমিটাৰটো আজি আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গিত কৰা হ'ব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে এই ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে মুকলি কৰিব। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, আকাশবাণীৰ সঞ্চালক প্ৰধান প্ৰজ্ঞা পালিৱাল গৌড় আৰু আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি গুৱাহাটীত উপস্থিত থাকিব। এই উপলক্ষে একে সময়তে কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰী, ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰী আৰু কোকৰাঝাৰৰ ভালেকেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব।

১৯৯৯ চনত স্থাপিত আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ অনুষ্ঠান প্ৰচাৰ কেনে আছিল আৰু এতিয়া কেনে হ'ব সেই বিষয়ে আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰে এইদৰে কয়-

**বাইট (ৰাজীৱ লোচন বৰঠাকুৰ)**

আজিৰ পৰা পশ্চিম অসমৰ শ্ৰোতাসকলে এফ এম বেণ্ডৰ ১০২ মেগাহাৰ্টজত আকাশবাণী কোকৰাঝাৰৰ অনুষ্ঠানসমূহ শুনিব পাৰিব।

ooooo

আকাশবাণীৰ সঞ্চালকপ্ৰধান শ্ৰীমতী প্ৰজ্ঞা পালিৱাল গৌড়ে দেশৰ দূৰ-দূৰণিৰ আওহতীয়া অঞ্চললৈকো আকাশবাণীৰ প্ৰচাৰ বিস্তৃত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। দুদিনীয়া ভ্ৰমণসূচীৰে কালি গুৱাহাটীলৈ অহা সঞ্চালক প্ৰধানগৰাকীয়ে আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা আছুতীয়া সাক্ষাৎকাৰত এই কথা প্ৰকাশ কৰি কয়, যে এই উদ্দেশ্যেৰেই আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰত কেন্দ্ৰীয় চৰকাৰে ১০ কিলোৱাটৰ এটা নতুন এফ এম ট্ৰান্সমিটাৰ স্থাপন কৰিছে। ইয়াৰ আগতে তেওঁ গুৱাহাটীত আকাশবাণী আৰু দূৰদৰ্শনৰ বিষয়াবৰ্গৰ সৈতে মাধ্যম দুটাৰ কাম-কাজৰ পৰ্যালোচনা কৰে। শ্ৰীমতী পালিৱাল গৌড়ে কালি বিয়লি আকাশবাণীৰ গুৱাহাটীৰ বাতৰি কক্ষৰ লগতে ষ্টুডিঅ' আৰু আন কক্ষসমূহ পৰিদৰ্শন কৰে আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰই আগবঢ়াই অহা সেৱাৰ শলাগ লয়।

ooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে বাংলাদেশে কালি ৯৫ জন ভাৰতীয় মাছমৰীয়াক বাংলাদেশ উপকূলৰক্ষী বাহিনীক গতাই দিয়া বুলি প্ৰকাশ কৰিছে। এই মাছমৰীয়াসকলক দেওবাৰে ভাৰতক অৰ্পণ কৰা হ'ব। সিদিনাখনে পাৰস্পৰিক হস্তান্তৰৰ অংশ হিচাপে ৯০ জন বাংলাদেশী মাছমৰীয়াক মুকলি কৰি দিয়া হ'ব।

ooooo

দুৰ্নীতিৰ প্ৰতি শূন্য সহনশীলতা নীতিৰ অংশ হিচাপে কেন্দ্ৰীয় তদন্ত সংস্থা, চি বি আইয়ে একাউণ্ট আৰু হাৱালা চেনেলৰ নেটৱৰ্কৰ জৰিয়তে উৎকোচ দাবী আৰু গ্ৰহণ কৰাৰ অভিযোগত উপ-অধিক্ষক আৰু অন্যান্য ব্যক্তিৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। চৰকাৰী বিবৃতি অনুসৰি মুম্বাইৰ চি বি আইৰ বেংক ছিকিউৰিটিছ্ এণ্ড ফ্ৰড শাখাৰ উপ-অধীক্ষক বি এম মেনাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। উল্লেখযোগ্য যে, বিষয়াগৰাকীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ পিছত জয়পুৰ, কলকাতা, মুম্বাইকে ধৰি ২০ টা স্থানত তালাচী চলাই নগদ ৫৫ লাখ টকা, প্ৰায় এক কোটি ৭৮ লাখ টকা বিনিয়োগৰ নথি-পত্ৰৰ লগতে অন্যান্য অভিযোগনামা দাখিল কৰা নথি-পত্ৰ উদ্ধাৰ কৰি জব্দ কৰা হয়।

ooooo

চিডনীত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলৰ আজি প্ৰথম দিনা ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ চাহ বিৰতিৰ পৰলৈকে ৩ টা উইকেট হেৰুৱাই প্ৰথম ইনিংছত ৫৭ ৰান সংগ্ৰহ কৰিছে। শৃংখলাত ভাল প্ৰদৰ্শন আগবঢ়োৱাত ব্যৰ্থ হোৱা অধিনায়ক ৰোহিত শৰ্মাক এই খেলখনত জিৰণি দিয়া হৈছে আৰু ৰোহিত শৰ্মাৰ অনুপস্থিতিত যশপ্ৰীত বুমৰাই দলক নেতৃত্ব দিছে। ভাৰত সম্প্ৰতি শৃংখলাৰ ২-১ ফলাফলত পিছ পৰি আছে। ভাৰতে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰাৰ আশা সজীৱ কৰি ৰাখিবলৈ হ'লে এই খেলখনত জয়লাভ কৰিবই লাগিব।

00000

মোহন বাগান ছুপাৰ জায়েণ্ট দলে কালি বিয়লি কলকাতাৰ ছল্ট লেকত অনুষ্ঠিত আই এছ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত হায়দৰাবাদ এফ চিক ৩-০ গলত পৰাস্ত কৰে। এই জয়ৰ সুবাদত মোহন বাগান প্ৰতিযোগিতাৰ পইণ্ট তালিকাত শীৰ্ষ স্থান অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছে। দলটোৱে বৰ্তমানলৈকে ১৪ খন খেলৰ ১০ খনত জয়লাভ কৰিছে। হায়দৰাবাদে বৰ্তমানলৈকে খেলা ১৪ খন খেলৰ মাত্ৰ ২ খনতহে জয়লাভ কৰিছে।

00000

সমাপ্ত